# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

1. ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে ভাৰত-ফিলিপাইনছৰ অংশীদাৰিত্ব কেৱল দুয়োখন দেশৰ জনসাধাৰণৰ বাবে লাভদায়কেই নহয়, বৰং এয়া হৈছে এই খণ্ডৰ শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ আধাৰ।

2. প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰ্তব্য পথত কৰ্তব্য ভৱন-৩ উদ্বোধন কৰিব।

3. প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীত এম এছ স্বামীনাথন শতবাৰ্ষিক আন্তঃৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

4. উত্তৰ কাশীৰ ধাৰালিত ডাৱৰ বিস্ফোৰণত ফলত হোৱা আকস্মিক বানত আবদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰৰ বাবে সেনা বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে।

*আৰু*

5. গ্ৰেণ্ড মাষ্টাৰ্ছ দবা প্ৰতিযোগিতা ২০২৫ৰ তৃতীয় সংস্কৰণ আজি চেন্নাইত আৰম্ভ হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে ভাৰত-ফিলিপাইনছৰ অংশীদাৰিত্ব কেৱল দুয়োখন দেশৰ জনসাধাৰণৰ বাবে লাভদায়ক নহয়, বৰং এয়া হৈছে এই খণ্ডৰ শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ আধাৰ। ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনান্দ ৰোমুএলডেজ মাৰ্কো জুনিয়ৰৰ প্ৰথম ভাৰত ভ্ৰমণক স্বাগমত জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে দুয়োখন দেশৰ মাজৰ ব্যাপক সহযোগিতাত দীৰ্ঘদিন ধৰি থকা উচ্চ পৰ্যায়ৰ সম্পৰ্ক, বৰ্ধিত ব্যৱসায় আৰু বাণিজ্য, সামুদ্ৰিক ক্ষেত্ৰ আৰু উন্নয়ন অংশীদাৰিত্বকে ধৰি শক্তিশালী প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা জড়িত হৈ আছে। তেওঁ কয়, যে ভাৰত আৰু ফিলিপাইনছৰ মাজত দীৰ্ঘদিনীয়া মিত্ৰতাৰ সম্পৰ্ক আছে আৰু ই সভ্যতাজোৰা সম্পৰ্ক, ঐতিহাসিক সম্বন্ধ আৰু পাৰস্পৰিক মূল্যবোধৰ ওপৰত আধাৰিত।

শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে যে, দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ ফলত ভাৰত আৰু ফিলিপাইনছৰ মাজত বহুপাক্ষিক সহযোগিতা বৃদ্ধি পাব। তেওঁ লগতে ফিলিপাইনছ চৰকাৰক পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰভাৱে গৰিহনা দিয়াৰ লগতে

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজক সমৰ্থন কৰাৰ বাবে ধন্যবাদ জনায়। তেওঁ ফিলিপাইনছৰ সৈতে উন্নয়নমূলক সহযোগিতাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে। এই ক্ষেত্ৰত তেওঁ দেশখনৰ থলুৱা সম্প্ৰদায়ৰ লোকসকলৰ দৈনন্দিন জীৱন উপকৃত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা তাৎক্ষণিক প্ৰভাৱ প্ৰকল্পৰ কথা উল্লেখ কৰে।

ভাৰত আৰু ফিলিপাইনছৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত ৰাষ্ট্ৰপতি মাৰ্কোছ জুনিয়ৰৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত শক্তিশালী সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিব বুলি দুয়োগৰাকী নেতাই বিশ্বাস ব্যক্ত কৰে। শ্ৰীমতী মুৰ্মুৱে অতিথি ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰো আয়োজন কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰ্তব্য পথত কৰ্তব্য ভৱন-৩ উদ্বোধন কৰিব। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে এখন ৰাজহুৱা সভাতো ভাষণ দিব। চেন্ট্ৰেল ভিষ্টাৰ ব্যাপক সম্প্ৰসাৰণৰ অংশ হিচাপে এই কৰ্তব্য ভৱন-৩ মুকলি কৰা হ'ব। আকাশবাণীৰ দিল্লীৰ সংবাদদাতাই জনোৱা মতে, দেশৰ প্ৰশাসনিক প্ৰক্ৰিয়াৰ কাম-কাজসমূহ সু-সংগঠিত কৰা তথা শাসন ব্যৱস্থাক অধিক সক্ষম কৰি তোলাৰ লক্ষ্যৰে নিৰ্মাণ কৰি থকা ভালেমান সামূহিক কেন্দ্ৰীয় সচিবালয় ভৱনৰ ভিতৰত কৰ্তব্য ভৱন-৩ হৈছে প্ৰথমটো এনে ভৱন।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত এম এছ স্বামীনাথন শতবাৰ্ষিক আন্তঃৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। কৃষি বিজ্ঞান আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ব্যক্তি, অধ্যাপক স্বামীনাথনৰ জন্মশতবৰ্ষ উদযাপনৰ লক্ষ্যৰে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু ৰাষ্ট্ৰীয় কৃষি বিজ্ঞান একাডেমীৰ সহযোগত এম এছ স্বামীনাথন গৱেষণা প্ৰতিষ্ঠানে কাইলৈৰ পৰা অহা শণিবাৰলৈ এই আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে।

এই সন্দৰ্ভত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সঞ্চালকপ্ৰধান ড$^0$ এম এল জাতে সাংবাদিকৰ আগত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই অনুষ্ঠানতে বিশিষ্ট বিজ্ঞানীগৰাকীৰ সন্মানাৰ্থে ভাৰত চৰকাৰৰ তৰফৰ পৰা এটা স্মাৰক মুদ্ৰা আৰু ডাক টিকট মুকলি কৰিব। ভাৰতক এখন খাদ্যৰ অভাৱী ৰাষ্ট্ৰৰ পৰা প্ৰচুৰ খাদ্য সম্ভাৰেৰে পূৰ্ণ ৰাষ্ট্ৰলৈ পৰিণত কৰাৰ ক্ষেত্ৰত অধ্যাপৰ স্বামীনাথনৰ গুৰুত্বপূৰ্ণ ভূমিকাত সঞ্চালকপ্ৰধানগৰাকীয়ে আলোকপাত কৰে। এম এছ স্বামীনাথন গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ সৌম্যা স্বামীনাথনে এই সন্মিলনৰ আন্তঃৰাষ্ট্ৰীয় গুৰত্ব আৰু বিশ্বব্যাপী বহনক্ষম কৃষিৰ ভৱিষ্যৎ নিৰ্মাণত ইয়াৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে।

**চিৰ সেউজ বিপ্লৱ- জৈৱ আনন্দৰ পথ** মূলমন্ত্ৰৰে আয়োজিত এই সন্মিলনত বহনক্ষম আৰু ন্যায়সংগত বিকাশৰ ক্ষেত্ৰত অধ্যাপক স্বামীনাথনৰ জীৱনজোৱা অৱদানৰ প্ৰতি সন্মান জনোৱা হ'ব। এই সন্মিলনে চিৰ সেউজ বিপ্লৱৰ সিদ্ধান্তসমূহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আলোচনাৰ বাবে বিজ্ঞানী, নীতি নিৰ্মাতা, উন্নয়ন পেছাদাৰী তথা অংশীদাৰসকলক এখন গোলকীয় মঞ্চ প্ৰদান কৰিব। এই সন্মিলনত জৈৱ বৈচিত্ৰ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰ, ব্যাপক আৰু

প্ৰযুক্তিচালিত জীৱন ধাৰণৰ সমাধান, বিকাশৰ দিশত যুৱ, মহিলা আৰু সমূদায়ৰ অংশগ্ৰহণ আদিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব।

00000

উত্তৰ কাশীৰ ধাৰালিত ডাৱৰ বিস্ফোৰণত ফলত হোৱা আকস্মিক বানত আবদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰৰ বাবে সেনা বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে। সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে, ২০ জনৰো অধিক লোকক নিৰাপদে উদ্ধাৰ কৰা হৈছে। আনহাতে আহতসকলক হৰ্শিলত থকা সেনাৰ চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে উত্তৰাখণ্ডত ক্ষীৰ গংগা নৈৰ অববাহিকাৰ উজনি অংশত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা আকষ্মিক বানত উত্তৰ কাশী জিলাৰ ধাৰালি গাওঁত বিস্তৰ ক্ষয় ক্ষতি হয়। জিলা তাৎক্ষণিক অভিযান কেন্দ্ৰই জনোৱা মতে, এই বানে গাওঁখনৰ বজাৰ অঞ্চলত থকা বহুবোৰ অট্টালিকা, হোটেল আৰু দোকান উটুৱাই নিয়ে। সামৰিক বাহিনী, জিলা দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন আৰু স্থানীয় কেতবোৰ সহায়কাৰী দলৰ সহযোগিতাত বিশেষ অভিযান চলাই থকা হৈছে। জিলা দণ্ডাধীশ প্ৰশান্ত আৰিয়াই কয়, যে প্ৰাৰম্ভিক তথ্য অনুসৰি বানত ৪ জন লোকৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে পৰিস্থিতি পৰ্যালোচনাৰ বাবে নিৰন্তৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। তেওঁ কয়, যে আবদ্ধ লোকসকলক নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰা হৈছে আৰু পৰিস্থিতি নিৰন্তৰ পৰ্যবেক্ষণ কৰি থকা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই আকস্মিক বানত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে সাহায্য আৰু উদ্ধাৰ অভিযানৰ সফলতা কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীৰ সৈতে কথাপাতি পৰিস্থিতিৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে জিলাখনৰ এই দুৰ্যোগৰ সময়ত সহায় কৰিব পৰাকৈ বহুকেইটা সঁহাৰি বাহিনীয়ে ৰাজ্য চৰকাৰৰ পৰ্যবেক্ষণত অহৰহ কাম কৰি আছে বুলি উল্লেখ কৰে। গৃহ মন্ত্ৰী অমিত শ্বাহেও উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে কথাপাতি এই ঘটনাৰ সবিশেষ বুজ লয়।

00000

নতুন দিল্লীত কালি ভাৰত-নিউজিলেণ্ডৰ প্ৰতিৰক্ষা সম্পৰ্কীয় কৌশলগত আলোচনাৰ উদ্বোধনী সংস্কৰণ অনুষ্ঠিত হয়। দুয়োখন দেশৰ নিৰাপত্তা আৰু দ্বিপাক্ষিক সহযোগিতাক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে এই আলোচনা অনুষ্ঠিত হয়। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ যুটীয়া সচিব অমিতাভ প্ৰসাদ আৰু নিউজিলেণ্ডৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ আন্তঃৰাষ্ট্ৰীয় শাখাৰ মুৰব্বী কেথলিন পিয়ৰ্চে বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে দুয়োখন ৰাষ্ট্ৰই চলি থকা প্ৰতিৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত সন্তুষ্টি প্ৰকাশ কৰিছে আৰু বিশেষকৈ প্ৰশিক্ষণ, সামৰ্থ্য বিকাশ, প্ৰতিৰক্ষা উদ্যোগ, সামুদ্ৰিক সুৰক্ষা আৰু বহুজাতিক সহযোগিতাৰ ক্ষেত্ৰত বৰ্তমানৰ সহযোগিতাৰ ক্ষেত্ৰসমূহ বৃদ্ধিৰ পথ অন্বেষণ কৰিছে। ২০২৫ চনৰ মাৰ্চ মাহত দুয়োখন দেশৰ মাজত স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অধীনত আয়োজিত ভাৰত-নিউজিলেণ্ড কৌশলগত প্ৰতিৰক্ষা আলোচনা দুয়োখন দেশৰ প্ৰতিৰক্ষা খণ্ডত মাইলৰ খুঁটি

হিচাপে বিবেচিত হৈছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ অতিথি নেতাগৰাকীয়ে নতুন দিল্লীত সুৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় ছেথ আৰু প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙকো সাক্ষাৎ কৰে।

00000

বেলুচিস্তানৰ নুস্কি জিলাত যোৱানিশা পথৰ দাঁতিত সংঘটিত এটা বোমা বিস্ফোৰণত ৩ জন পাকিস্তানী সেনা জোৱানৰ মৃত্যু হোৱাৰ লগতে আন ৩ জন গুৰুতৰভাৱে আহত হয়। বেলুচ লিবাৰেচন আৰ্মীয়ে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। বেলুচিস্তানত পাকিস্তানী সেনাৰ আগ্ৰাসনক নিৰন্তৰ আলোকপাত কৰি বিভিন্ন মানৱাধিকাৰ সংস্থাই প্ৰতিবাদ চলাই থকাৰ মাজতে এই আক্ৰমণ সংঘটিত হয়।

০০০০

প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ গাজা ষ্ট্ৰিপত সম্পূৰ্ণ সামৰিক দখল কৰাৰ বিতৰ্কিত প্ৰস্তাৱৰ ওপৰত আলোচনা হবলগীয়া বহু প্ৰত্যাশিত ইজৰাইলৰ নিৰাপত্তা কেবিনেট বৈঠক পিছুৱাই দিয়া হৈছে। হামাছৰ সৈতে প্ৰায় দুবছৰীয়া সংঘাতৰ অন্তত পেলেষ্টাইনৰ ভূখণ্ড সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰাৰ লক্ষ্যৰে আগবঢোৱা এই প্ৰস্তাৱক লৈ চৰকাৰ আৰু সামৰিক নেতৃত্বৰ মাজত মতবিৰোধ হোৱাৰ বাবেই বহু প্ৰত্যাশিত বৈঠকখন পিছুৱাই দিয়া হৈছে বুলি এটা সূত্ৰৰ পৰা জানিব পৰা গৈছে। ইজৰাইলৰ চৰকাৰী বিষয়াসকলে স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমক জনোৱামতে প্ৰধানমন্ত্ৰী নেতানিয়াহুৱে গাজাক “সম্পূৰ্ণৰূপে দখল” কৰি হামাছক পৰাস্ত কৰাৰ লগতে ইজৰাইলী পণবন্দীসকলৰ মুক্তি নিশ্চিত কৰাৰ প্ৰস্তাৱ আগবঢাইছিল। অৱশ্যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই প্ৰস্তাৱক লৈ দেশখনৰ আভ্যন্তৰত বিতৰ্কৰ সূত্ৰপাত হৈছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ইজৰাইল চোকা সমালোচনাৰ সন্মুখীন হৈছে। ৰাষ্ট্ৰসংঘ আৰু মানৱীয় সংস্থাসমূহে সকীয়াই দিছে যে সম্পূৰ্ণ দখলে গাজাৰ মানৱীয় সংকটক আৰু অধিক ভয়াবহ কৰি তুলিব। ২০২৩ চনৰ ৭ অক্টোবৰৰ পৰা কমেও ৬১হাজাৰ ২০ জন পেলেষ্টাইনী নিহত হৈছে আৰু ডেৰ লক্ষাধিক লোক আহত হৈছে।

০০০০

গ্ৰেণ্ড মাষ্টাৰছ দবা প্ৰতিযোগিতা ২০২৫ৰ তৃতীয় সংস্কৰণ আজি চেন্নাইত আৰম্ভ হ’ব। প্ৰতিযোগীসকলক মাষ্টাৰছ আৰু চেলেঞ্জাৰছ হিচাপে দুটা ভাগত বিভক্ত কৰা হৈছে। আজি মাষ্টাৰছৰ প্ৰথম ৰাউণ্ডত ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰ অৰ্জুন এৰিগাইচিয়ে আমেৰিকাৰ আৱণ্ডাৰ লিয়াঙৰ বিৰুদ্ধে খেলিব আৰু বিদিত গুজৰাথীয়ে জৰ্ডেন ভান ফৰেষ্টৰ মুখামুখি হব। চেলেঞ্জাৰছ শাখাত হৰিকা দ্ৰোণাৱল্লী আৰু বৈশালী ৰমেশবাবুক লাইনআপত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা শাখাই একক ৰাউণ্ড-ৰবিন ফৰ্মেট অনুসৰণ কৰিব আৰু প্ৰতিযোগীসকলৰ মাজত নটা ৰাউণ্ডত খেল অনুষ্ঠিত হ'ব।

00000

থাইলেণ্ডত অনুষ্ঠিত ১৯ আৰু ২২ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপ ২০২৫ত ভাৰতীয় বক্সাৰসকলে আকৰ্ষণীয় প্ৰদৰ্শন কৰিছে। ১৯ বছৰ অনুৰ্ধৰ শাখাত ৭গৰাকী মহিলা বক্সাৰে পদক নিশ্চিত কৰিছে। যক্ষিকা, নিছা, মুস্কান আৰু ভিনিয়ে নিজ নিজ ওজন শাখাত পদক নিশ্বিত কৰি চেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে একেলগে অনুষ্ঠিত ১৯ আৰু ২২ বছৰ অনুৰ্ধ এছিয়ান

বক্সিং চেম্পিয়নশ্বিপে ভাৰতৰ উদীয়মান খেলুৱৈসকলক এছিয়াৰ একাংশ কঠিন প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে খেলি নিজৰ দক্ষতা আৰু দৃঢ়তা প্ৰদৰ্শনৰ বাবে এখন মঞ্চ প্ৰদান কৰে।

000000

**সমাপ্ত**